# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

::::::::::::::::::::::::::::::::::::

কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজৰ একবিংশ দ্বিবাৰ্ষিক সমাৱৰ্তন কাইলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বি টি চিৰ মুখ্য কাযবাহী সদস্য প্ৰমোদ বড়ো বিশেষ অতিথি হিচাপে উপস্থিত থাকিব।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান আৰু নৈশ ভোজমেলতো অংশগ্ৰহণ কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধীনত কাইলৈ অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষা নিকাভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে ৰাজ্যজুৰি পুৱা চাৰে ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ ইণ্টাৰনেট সেৱা বন্ধ ৰখা হ'ব। ৰাজ্যত গৃহ আৰু ৰাজনৈতিক বিভাগৰ হৈ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে এটা বিবৃতিযোগে এই কথা সদৰি কৰাৰ লগতে সকলোকে যুৱপ্ৰজন্মৰ ভৱিষ্যতৰ স্বাৰ্থত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। চৰকাৰৰ নিৰ্দেশনা ভংগ কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা আৰু ইণ্ডিয়ান টেলিগ্ৰাফ এক্টৰ সংশ্লিষ্ট ব্যৱস্থাৰ অধীনত শাস্তি বিহা হ'ব বুলিও বিবৃতিটোত কোৱা হৈছে।

উল্লেখযোগ্য যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ তত্বাৱধানত কাইলৈ ৰাজ্যৰ ২৮ খন জিলাত ৪২টা বিভাগৰ চতুৰ্থ বৰ্গৰ মুঠ ৫ হাজাৰ ২৩টা খালী পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই পৰীক্ষাত এহেজাৰ ৪৮৪টা কেন্দ্ৰত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে আৰু ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে মহিলা আৰক্ষীৰ সৈতে অংগনৱাড়ী আৰু আশাকৰ্মী উপস্থিত থাকিব বুলি নিযুক্তি আয়োগে জানিবলৈ দিছে। প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে উত্তৰ পূৱ সীমান্ত ৰে'লৱেই আজিৰে পৰা ৰাজ্যত ৫ খন বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰিছে।

০০০০

শৰীৰত উৎপত্তি হোৱা বিভিন্ন ৰোগৰ কাৰক মানুহৰ মানসিক জগতখনত লুকাই থকা হেতুকে মানসিক স্বাস্থ্যৰ যত্ন লোৱাটো অত্যন্ত প্ৰয়োজনীয় বুলি আজি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত জ্যেষ্ঠ মানসিক ৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দাসে প্ৰকাশ কৰে। তেওঁ কয় যে, যিকোনো বয়সতে যিকোনো লোক এই ৰোগৰ দ্বাৰা আক্ৰান্ত হব পাৰে। সেয়েহে এগৰাকী ব্যক্তিৰ অস্বাভাৱিক আচৰণ দেখা মাত্ৰেই পৰিয়ালৰ লোকে চিকিৎসকৰ সৈতে যোগাযোগ কৰিলে লোকজনে সুস্থ জীৱন যাপন কৰিব পাৰে। তদুপৰি দীৰ্ঘদিনযোৱা হতাশা, চিকিৎসা গ্ৰহণ কৰি থকাৰ পাছতো অকাৰণতে আৰোগ্য লাভ নকৰা কোনো ৰোগ থাকিলেও মানসিক চিকিৎসকৰ কাষ চাপিবলৈ তেওঁ আহ্বান জনায়। বিশেষকৈ সামাজিক মাধ্যম, অনলাইন গেমছ আদি অতিমাত্ৰা আসক্তিয়ে মানসিক ৰোগৰ জন্ম দিব পাৰে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে অভিভাৱকসকলক সন্তানৰ ক্ষেত্ৰত অতিমাত্ৰা সজাগ হৈ তেওঁলোকৰ মানসিক স্বাস্থ্যৰ যতন লবলৈ আহ্বান জনায়।

০০০০

ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগে আজি মৈৰাবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত মৈৰাবাৰী ৰাষ্ট্ৰভাষা হিন্দী বিদ্যালয়ত বিশেষভাৱে সক্ষম লোকসকলক সহায়ক উপকৰণ বিতৰণ কৰে। এই কাৰ্যসূচীৰ অধীনত ১৬১ জন বিশেষভাৱে সক্ষম লোকক আনুষ্ঠানিকভাৱে বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। ভাৰতীয় কৃত্ৰিম অংগ নিৰ্মাণ নিগমৰ জৰিয়তে লাভ কৰা হুইল চেয়াৰ, মটৰাইজ চাইকেল, হিয়াৰিং এইড আৰু শিশু সামগ্ৰী বিতৰণ কৰা হয়।

০০০০

অবৈধ ট্ৰেডিঙৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা বিশাল ফুকন, চুমি বৰা নামৰ ৮ জন অভিযুক্তক আজি কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। আদালতে আটাইকেইজন অভিযুক্তকে গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। অহা ২৮ অক্টোবৰত কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই অভিযুক্তকেইজনক চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱাই জিম্মাত লোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অসম চৰকাৰে অবৈধ অনলাইন ট্ৰেডিং সন্দৰ্ভত ৰুজু হোৱা ৪১ টা গোচৰৰ তদন্তৰ দায়িত্ব কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাক প্ৰদান কৰিছিল। ইয়াৰ ভিত্তিত সংস্থাটোৱে তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰি তুলিছে।

০০০০

উত্তৰ পূব সীমান্ত ৰেলৱে উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণ কৰাৰ বাবে কেইবাখনো বিশেষ ৰেলগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। এই অনুসৰি এখন বিশেষ ৰেল বৈষ্ণোদেৱী কাত্ৰাৰ পৰা ২৮ অক্টোবৰ আৰু ২ নৱেম্বৰত সন্ধিয়া ৬ বাজি ৪৫ মিনিটত যাত্ৰা কৰি ৩০ অক্টোবৰ আৰু ৪ নৱেম্বৰৰ নিশা দহ বজাত কামাখ্যাত উপস্থিত হব। একেদৰে ৰেলখন ৩১ অক্টোবৰ আৰু ৫ নৱেম্বৰত কামাখ্যাৰ পৰা পুৱা ৬ বজাত যাত্ৰা কৰি ২ আৰু ৭ নৱেম্বৰৰ পুৱা ৬ বাজি ২০ মিনিটত কাত্ৰাত উপস্থিত হব। এই সময়ছোৱাৰ বাবে কাতিহাৰৰ পৰা মনিহাৰী সংযোগী দুখন ৰেল ২৫ টা যাত্ৰাৰ বাবে আজিৰে পৰা ১৯ নৱেম্বৰলৈ চলাচল কৰিব।

০০০

সমাপ্ত